# *লক্ষ্মীনাথ ফুকনৰ বিশিষ্ট চৰিত্ৰপ্ৰধান গল্প ‘মেধি’ : এটি বিশ্লেষণ*

**_পাতনি:_**

লক্ষ্মীনাথ ফুকন (১৮৯৭-১৯৭৫) অসমীয়া সাহিত্যৰ এগৰাকী আগশাৰীৰ গল্পকাৰ। তেওঁ *আৱাহন* ওলোৱাৰ আগতে ১৯১৮ চনত তেওঁৰ প্ৰথম গল্পসংকলন উলিয়ায়। *আৱাহনৰ* লক্ষ্মীনাথ ফুকন এগৰাকী সাৰ্থক ৰোমাণ্টিক কবি। তেওঁৰ গল্পত সামাজিক জীৱনৰ মুখাবোৰ হাস্যৰসসিক্ত ৰূপত উদ্ভাসিত হয়। জীৱনৰ শ্লেষাত্মক অভিঘাত চিনাক্তকৰণৰ ক্ষেত্ৰতো তেওঁৰ কৌশল প্ৰণিধানযোগ্য। সাহিত্য সমালোচক মুনীন বৰকটকীৰ মতে লক্ষ্মীনাথ ফুকনৰ মুখ্য পৰিচয় সাহিত্যিক হিচাপে নাছিল, ফুকন আছিল সৰ্বাগ্ৰে সাংবাদিক। কথাষাৰ সত্য যদিও লক্ষ্মীনাথ ফুকনৰ সৰস্বতীহাত, সাহিত্যৰ ক্ষেত্ৰত (সৃষ্টিধৰ্মী) বিশেষকৈ কবিতা, গল্প, উপন্যাস আৰু জীৱনীমূলক বিষয়ত নপৰাকৈ নাছিল। বৰকটকীয়ে উক্ত মন্তব্যৰ লগতে এই বুলিও স্বীকাৰ কৰিছে, গল্প লিখোঁতে নাইবা কবিতা ৰচোঁতে নাইবা কাৰোবাৰ জীৱনী সমীক্ষা কৰোঁতে এনেকুৱা বোধ হয়, তেওঁ যেন পানী নসৰকা সুকীয়া সুকীয়া খোটালিত সোমাইহে কাম কৰিছে। ফুকনৰ সাহিত্যকৰ্মৰ চিনাকি দিবলৈ এই মন্তব্যটিয়ে যথেষ্ট।

‘আলোচনী’তে(১৯১০-১৭) গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰা ফুকনৰ গল্প সংকলনসমূহ, *মালা* (১৯১৮), *ওফাইদাং* (১৯৫২), *মৰমৰ মাধুৰী* (১৯৬৩), *আশাত উৎফুল্ল প্ৰাণ* (১৯৬৫) আৰু *আনন্দে নধৰে হিয়া* (১৯৬৭)। প্ৰখ্যাত গল্পকাৰ মোপাচাঁৰ নেকলেচ আৰু অন্যান্য কেইটিমান গল্পও সহপাঠী কৃষ্ণকান্ত সন্দিকৈৰ অনুৰোধত অনুবাদ কৰিছিল। ফুকনৰ গল্প ৰচনাৰ সময় সম্পৰ্কে হোমেন বৰগোহাঞিৰ মন্তব্য এই যে বেছিভাগ অসমীয়া লেখকেই যি বয়সত গল্প লেখিবলৈ এৰি দিয়ে, সেই বয়সত লক্ষ্মীনাথ ফুকনে তেওঁৰ বিখ্যাত গল্পবোৰ লেখিবলৈ আৰম্ভ কৰিছিল। *ওফাইডাং* ৰচনাৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৫ বছৰ। সেয়া তেওঁৰ পৰিপক্ক সময়। সেইবাবে

গল্পবোৰৰ বিষয়বস্তু আৰু বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ ছাপ পৰিছে। চুটিগল্পৰ ব্যাকৰণৰ মতে, চুটিগল্প বাস্তৱতাৰ আধাৰত ৰচনা কৰিব লাগে; ফুকনৰ গল্পত বাস্তৱতাৰ চাপ সৰ্বত্রে পোৱা যায়।

***<u>মেধি গল্পৰ বিষয়বস্তু, কাহিনী আৰু চৰিত্ৰ:</u>***

*মেধি, ডাক্টৰ* আদি গল্পৰ মাজত আদৰ্শবাদ ফুটি উঠিছে, ত্ৰৈলোক্যনাথ গোস্বামীয়ে সেইবাবেই লিখিছে: গল্পৰ মাজেদি পোনপটীয়া শিক্ষা দিয়াৰ উদ্দেশ্য গল্প লেখকৰ নাই, কিন্তু গল্প পঢ়ি পাঠকে তাৰপৰা শিক্ষা লাভ কৰিব খুজিলে লেখকৰ তাত আপত্তিও নাই। *মেধি*ত মেধিৰ মৰমসনা হৃদয়ৰ যোগেদি সাধাৰণ মানুহৰ মৰম-চেনেহ প্ৰকাশ পাইছে। লক্ষ্মীনাথ ফুকনৰ গল্পসমূহৰ ভিতৰত 'মেধি' এটা সুখপাঠ্য গল্প। *মেধি* গল্পৰ বিষয়-বস্তু বহুল পৰিসৰৰ আৰু সেইবাবে অনেক ঘটনাৰ গ্ৰন্থন হৈছে গল্পটোত। অৱশ্যে এই একাধিক ঘটনা মেধিৰ চৰিত্ৰৰ বহুবৰ্ণময় ৰূপ প্ৰকাশ কৰাৰ উদ্দেশ্যতে কেন্দ্ৰ কৰি গঢ় লৈছে। সত্ৰৰ মেধিৰ -বাব খোৱা সৰলচিতীয়া এজন মানুহৰ হৃদয়ৰ কোমলতা, স্বভাৱৰ সৰলতা আৰু আপোনভোলা চৰিত্ৰই 'মেধি' গল্পৰ বিষয়-বস্তু। ফুকনৰ সাৰ্থক গল্প *মেধি*ত জৈৱিক বিষয়ত কোনো সমস্যা দেখিবলৈ পোৱা নগ'ল। মেধিয়নীৰ ত্ৰিভুজ প্ৰেমৰ চিত্ৰত স্থানীয় মাইনৰ স্কুলৰ হেডমাষ্টৰ অৰণীধৰ বৰঠাকুৰ আৰু বৰলা মুহীধৰক দেখা পালেও দুয়োটা বাহুৱে পৰস্পৰ সমান্তৰালধৰ্মী। ইটোৰ সৈতে সিটো বাহুৰ সম্পৰ্কই নাই। মুহীধৰৰ সৈতে মেধিয়নী পলাই যোৱাতো মেধিৰ কোনো প্ৰতিক্ৰিয়া সৃষ্টি হোৱা নাই, "মই বুঢ়াই হ'লোঁ, কিন্তু খুৰীয়েৰ গাভৰু হৈয়ে আছে, বিয়া নিদিয়া ছোৱালীজনী হৈ।"

সহজ-সৰল গাঁৱৰ সাধাৰণ অথচ মহানুভৱ এজন মানুহৰ কাহিনীৰে লিখা *মেধি* গল্প ফুকনৰ শ্ৰেষ্ঠ গল্পবোৰৰ ভিতৰতে এটা। সাধাৰণতে ফুকনৰ অন্যান্য গল্পৰ তুলনাত এইটো মুক্তক গল্প। আউনীআটী সত্ৰৰ এসময়ৰ মেধি বলোৰামক সকলোৱে 'মেধি' বুলিয়ে জানে আৰু সেই নামেৰে পৰিচিত। মানুহজনৰ সহজ-সৰল ধৰণ-কৰণৰ বাবে

গাঁৱৰ চেমনীয়াবোৰে জোকায় যদিও তেওঁ ল'ৰাহঁতক মৰমহে কৰে। বসয় হোৱাত বিয়া কৰোৱাৰ বাবে মেধিয়নী তেওঁতকৈ বয়সত বহুবছৰে সৰু। মেধি প্ৰৌঢ় হ'লেও মেধিয়নী ভৰ যৌৱনা। যৌৱনৰ বাসনা পূৰণাৰ্থে তেওঁ গাঁৱৰ বিদ্যালয়ৰ হেডমাষ্টৰ অৰণীধৰ বৰঠাকুৰ আৰু বিপত্নীক মুহীধৰৰ সৈতে গোপন মিলা-মিছা কৰি শেষত মুহীধৰৰ সৈতে পলাই গৈ ঘৰ-সংসাৰ পাতিলেগৈ। নিজৰ অসমৰ্থতা স্বীকাৰ কৰি, মেধিয়নীৰ অপকৰ্মতো কোনো ধৰণৰে আপত্তি নকৰি, বৰঞ্চ গাঁৱৰ ডেকা (এসময়ত মেধিক জোকোৱা) গোপালৰ হতুৱাই ৰূপ পঞ্চাছ টকা মেধিয়নীক দিবলৈ কৈ মাথোঁ ক'লে, "খুৰীয়েৰৰ বৰ দুখ, খুৰীয়েৰৰ ইমান বছৰেও ল'ৰা-ছোৱালী এটা নহ'ল। মই তহঁতক লৈয়ে থাকোঁ, তহঁতৰ লগতে ধেমালি-ধুমুলা কৰি সেইবোৰ ভাব মনলৈ আহিবলৈ নিদিওঁ। কিন্তু খুৰীয়েৰৰ শান্তি নাই। মই খুৰীয়েৰক বিয়া কৰাবই নেলাগিছিল।" মেধিয়নী পলাই যোৱাত তেওঁৰ মনত যে দুখ-শোকে আৱৰি ধৰিছিল মেধিৰ এই উক্তিতে প্ৰকাশ পাইছে: "খুৰীয়েৰ যোৱাত মই বেয়া পাইছোঁ সঁচা, কিন্তু খুৰীয়েৰ যোৱাটো একো অন্যায় হোৱা নাই।"

*মেধি* এটা সু-পৰিকল্পিত আৰু চিন্তামূলক গল্প। মেধিৰ চৰিত্ৰত উদাৰ, নিৰ্মোহ আৰু মানৱীয় গুণৰ পৰিচয় পোৱা যায়। মেধিয়নী বিপৰীতধৰ্মী চৰিত্ৰ হ'লেও বাস্তৱতা আছে। জৈৱিক বাসনা মানুহৰ সহজাত প্ৰবৃত্তি, তাক চৰিতাৰ্থ কৰিবৰ বাবে সকলোৰে বাসনা থাকে। সেইবাবেই হয়তো মেধিয়ে মেধিয়নীৰ কাৰ্যত আপত্তি নকৰিলে। লেখকে এনে বিষয়ত সহানুভূতিৰে চাইছে। মেধিয়নীৰ কাৰ্যত ফ্ৰয়েডীয় মনস্তাত্ত্বিক বিশ্লেষণৰ মতবাদৰ প্ৰভাৱ স্পষ্ট। হয়তো গল্পকাৰে এনে চৰিত্ৰৰ বাস্তৱতা তেওঁৰ অভিজ্ঞতাৰে স্বতঃস্ফূৰ্ত প্ৰভাৱো হ'ব পাৰে। ঘৰ সাজোঁতে ঘৰৰ ভেটিত পোৱা ধন বিদ্যালয় নিৰ্মাণৰ বাবে মেধিয়ে দান দিব খোজোঁতে মেধিয়নীৰ, "স্কুল মাইনৰ হয়, হাইস্কুল হয় আমাৰ দৰকাৰ কি? আমাৰ ল'ৰাই আছেনে, ছোৱালীয়েই আছে যে তাত পঢ়িবলৈ?"— উক্তিতে তেওঁৰ মনৰ প্ৰকৃত বাসনা, মাতৃত্বৰ প্ৰতি নাৰীৰ একান্ত আশাৰ অৰ্থ প্ৰকাশ পাইছে।

গল্পত হেডমাষ্টৰ অৱনীধৰ বৰঠাকুৰ আৰু মাইনৰ স্কুলক হাইস্কুললৈ পৰিৱৰ্তনৰ বাবে যত্ন কৰা বিনন্দী কাকতিৰ অন্তৰত পুহি ৰখা স্বাৰ্থসিদ্ধি ভাবক ব্যঙ্গোক্তিৰ সৃষ্টি কৰিছে।

সমালোচক ত্ৰৈলোক্যনাথ গোস্বামীৰ মন্তব্য: 'মৰমৰ মাধুৰী'ত সন্নিৱিষ্ট হোৱা গল্পকেইটাৰ ভিতৰতো স্পষ্ট চৰিত্ৰাংকনেই বিশেষত্ব । মেধি, ডাক্তৰ চলিহা, ৰূপালী প্ৰভৃতি চৰিত্ৰবোৰ সজীৱ। এই সজীৱতা নানান ঘাত-প্ৰতিঘাতৰপৰা উৎপন্ন নহয়, কিন্তু সৰল আৰু পোনপটীয়া বৰ্ণনা বা সংলাপৰ যোগেদি প্ৰকাশিত। ল'ৰাহঁতে সদায় আমনি দিয়া মেধিৰ বহল হৃদয়, উদাৰ মন আৰু পলাই যোৱা ঘৈণীয়েকৰ প্ৰতি মৰমৰ চিন 'মেধি' গল্পত প্ৰকাশিত হৈছে (১২২)।

***<u>'মেধি' গল্পৰ কেন্দ্ৰীয় চৰিত্ৰ বলোৰাম মেধিৰ চৰিত্ৰাংকন:</u>***

'মেধি' এটা অসাধাৰণ চৰিত্ৰপ্ৰধান গল্প । আউনীআটী সত্ৰৰ মেধি -বাব পোৱাৰ পিছৰ পৰা বলোৰামক আটায়ে 'মেধি' বুলিয়ে মাতিবলৈ ল'লে আৰু মেধি -বাব যোৱাৰ পিছতো বলোৰাম আটাইৰে বাবে মেধি হৈ ৰ'ল। গল্পটোৰ মূল চৰিত্ৰ মেধিৰ হৃদয়বৃত্তি অতি সৰল। তেওঁক দেখিলেই -

"মেধি ঔ মেধি
কুকুৰে নিলে খেদি,
মেধি পৰিল খালত
কুকুৰে কামুৰিলে গালত"

— বুলি ল'ৰাবোৰে জোকায়। এচাম ল'ৰা ডাঙৰ-দীঘল হৈ জোকাবলৈ এৰে; আকৌ পিছৰ চামে জোকায়। মেধিয়ে ল'ৰাহঁতক দলিটো, ফৰ্মূটিটো মাৰো যেন কৰি টোৱায়; কিন্তু মাৰি নপঠায়। কাৰণ মেধিৰ কোমল অন্তৰ এখন আছে। সেয়ে তেওঁ জোকোৱা ল'ৰাক মাৰ-কিল কৰা দূৰৰ কথা, জোকোৱা ল'ৰাক মাক-দেউতাকহঁতে মাৰ-কিল কৰিলেও মেধিয়ে গৈ ইস্ ইস্ আচ্-আচ্ কৰি বাৰণ কৰেগৈ।

*মেধি* গল্পটোত তিনিটা বিক্ষিপ্ত ঘটনাৰ সংযোজন ঘটিছে আৰু এই তিনিওটা ঘটনাৰ

উদ্দেশ্য হৈছে মেধিৰ চৰিত্ৰৰ বৈচিত্ৰ্য প্ৰকাশ।

গল্পটোত কোৱা হৈছে যে, মেধি আৰু মেধিয়নীৰ বয়সৰ পাৰ্থক্য বৰ বেছি। সেয়ে মেধি বুঢ়া হৈ পৰাৰ সময়ত মেধিয়নীৰ যৌৱনৰ ভৰপক হৈছিলহে, এনে কাৰণতে দূৰণিৰ পৰা আহি মেধিৰ ঘৰৰ কাষৰ মাইনৰ স্কুলত হেডমাষ্টৰ ৰূপে কাম কৰা অৱনী বৰঠাকুৰৰ লগত মেধিয়নীৰ গোপন প্ৰণয় গঢ় লৈ উঠে। এই গোপন কথাৰ সম্ভেদ পালে অৱনী বৰঠাকুৰৰ পত্নীয়ে; কিন্তু মেধিয়ে ইয়াৰ উমান নাপালে। পাবৰ প্ৰয়োজনো বোধ নকৰে মেধিয়ে। কাৰণ মেধি সকলো কথাতে নিৰ্বিকাৰ, উদাৰ। বৰঠাকুৰৰ পত্নীয়ে স্বামীৰ গোপন প্ৰণয়ৰ কথা জানি ওপৰত লাগি-মেলি স্বামীক অন্য ঠাইলৈ বদলি কৰি নিয়াই গোপন প্ৰণয়ৰ মুদা মাৰিলে। এই ঘটনাংশ গল্পটোত অপাংক্তেয়। মাত্ৰ মেধিৰ চৰিত্ৰৰ ঔদাসীন্য প্ৰকাশ কৰাৰ ক্ষেত্ৰত ইয়াৰ সামান্য যোগসূত্ৰতা এটা আছে।

গল্পটোত আৰু এটা ঘটনাৰ সংযোগ কৰি মেধিৰ চৰিত্ৰৰ বদান্যতা প্ৰদৰ্শন কৰা হৈছে। ছাল-বেৰ উঁৱলি জহি-খহি যাব ধৰা নিজ ঘৰটো মেৰামতি কৰোঁতে বেৰৰ খবুৱাৰ তলতে ঘট এটাত চিকা ৰূপ ডেৰশ পালে। দাৰিদ্ৰপীড়িত ঘৰখনৰ বাবে এই ডেৰশ টকা পৰম সৌভাগ্য। মেধিয়নীয়ে নিজে আৰু মেধিৰ বাবেও এযোৰ কাপোৰ লোৱাৰ কথা ভাবিলে। কিন্তু বিনন্দী কাকতী নামৰ ক্ষমতালোভী সমাজকৰ্মী এজনে গাঁৱতে হাইস্কুল এখন খুলি কাম আৰম্ভ কৰাৰ কথা গম পাই মেধিয়ে উপযাচি গৈ কাকতিক এশ চিকাৰূপ দান দি আহিলগৈ। মেধি কেনে আপোন ভোলা, কেনে উদাৰ আৰু কেনে বৈৰাগ্য স্বভাৱৰ মানুহ তাকে দেখুৱাবৰ কাৰণেই যেন এই অংশ ঘটনাৰ সংযোজন।

মেধিৰ চৰিত্ৰৰ বিচিত্ৰতা প্ৰকাশক তৃতীয় ঘটনাটো কেবল আমোদজনকেই নহয়; অতি সংবেদনশীলো। তৃতীয় ঘটনাটোত গাঁৱৰে মুহীধৰ নামৰ এটা ল’ৰাৰ বাপেকী বৰলা মানুহ এজনৰ লগত মেধিয়নীৰ গোপন প্ৰণয় গঢ় লৈ উঠিল। আনকি মেধিৰ সৰলতাৰ সুযোগ লৈ মেধিৰ অজ্ঞাতে মেধিয়নী মুহীধৰলৈ গুচি গ'ল। এইষাৰ কথা জনাৰ পিছতো মেধিৰ কোনো প্ৰকাৰ খেদ নহ'ল। বৰং গোপালে ঘটনাটোৰ আঁত নাপাই জানিব

বিচৰাত মেধিয়ে নির্বিকাৰভাৱে ক'লে- "কথাটো কি? তাকো আৰু নুবুজিলি নে? খুৰীয়েৰ মুহীধৰলৈ গ'ল। মোক এৰিলে।" মেধিৰ মুখৰ এইষাৰ কথা দেখাত সহজ; কিন্তু অতি মর্মন্তুদ আৰু গভীৰ সংবেদনশীলতাৰে ভৰা। পত্নীৰ এনে কার্যত যিকোনো এজন স্বামীয়ে তীব্র প্রতিক্রিয়া প্রকাশ কৰিলেহেঁতেন। মেধি কিন্তু ব্যতিক্রম। আনকি যি আঢ়ৈকুৰি টকা মেধিয়নীৰ ৰিহা-মেখেলা এযোৰ ল'বৰ বাবে সাঁচি থৈছিল; সেই আঢ়ৈকুৰি ৰূপো গোপালক দি ক'লে- "তই যা, এতিয়াই দি আহ গৈ। খুৰীয়েৰক কবি, ৰিহা-মেখেলা ল'বৰ কাৰণে এই ৰূপ আঢ়ৈকুৰি, খুৰীয়েৰে কি কৰে কৰিব।"

এই তিনিটা ঘটনাৰ মাজেদি মেধিৰ চৰিত্ৰৰ বৈচিত্র্য প্রদর্শন কৰাৰ উপৰিও মেধিয়নীৰ চৰিত্ৰৰো মনস্তাত্ত্বিক বিশ্লেষণ কৰা হৈছে। মেধিয়নী মেধিৰ বয়সৰ তুলনাত বহুত সৰু। তাতে তেওঁলোক সন্তানহীন। সেয়ে মেধিয়নীয়ে মেধিক এৰি গুচি গ'ল। "সন্তানৰ মাজেদি নাৰীয়ে পায় মুক্তিৰ আনন্দ। ফুলে নিজৰ জীৱন বলি দি ফলৰ সৃষ্টি কৰে। ফুলৰ জীৱনৰ মুক্তি যিদৰে ফলত, নাৰীৰ জীৱনৰ মুক্তিও সেইদৰে সন্তানত।" সন্তানৰ মাতৃ হোৱাৰ দুর্বাৰ আকাংক্ষাৰ বাবেই মেধিয়নীয়ে মেধিক এৰি মুহীধৰলৈ গুচি যোৱা ঘটনাটোৰ মাজেদি নাৰী মনস্তত্বৰ ব্যাখ্যা এটাও দিবলৈ যত্ন কৰা হৈছে। সমালোচকৰ ভাষাত: 'মেধি' গল্পতো সহজ-সৰল জীৱন চিত্ৰৰ লগতে প্রেমৰ মোহনীয় ৰূপ পৰিস্ফুট কৰি তোলা হৈছে। মেধিৰ ঘৈণীয়েকে মুহীধৰক ভাল পায়। মেধিয়ে ধৰি ল'লে নিশ্চয় তাইৰ সন্তানহীনতাৰ কাৰণেই তাই এনেদৰে মনক তৃপ্তি দিছিল। মেধিৰ ঘৈণীয়েক মুহীধৰৰ লগত পলাই যোৱাৰ পাছতো সি অনুভৱ কৰিছে তাইৰ প্রতি গভীৰ প্রেম। সেয়ে গোপালক তাই কেনে আছে চাবলৈ পঠিয়াইছে আৰু লগতে তাইৰ বাবে থৈ দিয়া ৰূপ পঞ্চাশটা পঠিয়াই দিছে (ভট্টাচার্য ২৪২)।

## <u>মোখনি :</u>

*মেধি* গল্পৰ সৌন্দর্য দুটা দিশত। প্রথমটো হ'ল: চৰিত্ৰৰ স্বচ্ছতা আৰু দ্বিতীয়টো দিশ

হ'ল: গল্পটোৰ সাৱলীল ভাষাৰ চিত্ৰধৰ্মী বৰ্ণনা। জীৱনৰ ৰস-কষৰ সন্ধানত মেধিৰ গাভৰু পত্নী আনলৈ গ'ল। মেধিৰ জীৱনৰ অৱলম্বন হেৰাল যদিও মানুহজনীয়ে তাইৰ ভাল কাপোৰযোৰ আৰু আন লাগতিয়াল বস্তু এৰি যোৱাৰ বাবেহে তেওঁ খেদ কৰিবলৈ ধৰিলে, তাইক দোষাৰোপ কৰাৰ কথা মনলৈ নানিলে। *মেধি* গল্পত চৰিত্ৰৰ উজ্জ্বলতাৰ উপৰিও পাৰিবেশিক চিত্ৰৰ বাস্তবধৰ্মিতাও আছে। গ্ৰাম্য কৃষক সমাজৰ জীৱন্ত ছবিখন আৰু এই ছবিৰ উপযোগী গ্ৰাম্য পৰিৱেশত অতি নিখুঁতভাবে চিত্ৰিত হৈছে। নগেন শইকীয়াই ফুকনৰ গল্প সম্পৰ্কে মন্তব্য কৰিছে: ফুকনৰ গল্পৰ মাজত দেখা যায় চৰিত্ৰ অধ্যয়নৰ তেওঁৰ দক্ষতা, পৰিবেশ চিত্ৰণত তেওঁৰ পটুতা আৰু প্ৰকাশভংগীত আৱশ্যকীয় ঠাইত ব্যৱহৃত শ্লেষ।.... বিভিন্ন আদৰ্শগত স্বাৰ্থই ধুঁৱলী-কুঁৱলী কৰা অসমক ফুকনৰ দৰে সাংবাদিক আৰু লেখকৰ বক্তব্য আৰু ব্যক্তিত্বই সঠিক পথ বিচাৰি লোৱাত এতিয়াও সহায় কৰিব পাৰে। মুঠতে সফল চৰিত্ৰাংকন, বিষয়-বস্তু অনুসৰি পৰিৱেশ সৃষ্টি, সৰল ব্যংগ আৰু পৰিণতিমুখী উৎকণ্ঠাৰ বাবে *মেধি* লক্ষ্মীনাথ ফুকনৰ গল্পসমূহৰ ভিতৰত এটা উপাদেয় গল্প। অৱশ্যে ক'বই লাগিব যে, গল্পটোত একাধিক ঘটনাৰ বিক্ষিপ্ততাই বিষয়-বস্তুৰ ঐক্য বিনষ্ট কৰাৰ বাবে চুটি গল্পৰ আংগিকগত দোষ আছে। অথচ লেখকগৰাকীৰ বাকভঙ্গীৰ স্বচ্ছতা, বৰ্ণনাভঙ্গীৰ সাৱলীলতা, ভাষাৰ বুদ্ধিদীপ্ততা আৰু চৰিত্ৰৰ আভ্যন্তৰ জগতত প্ৰবেশ কৰি সংবেদনশীলতাৰে চৰিত্ৰ নিৰ্মাণ কৰিব পৰা দক্ষতাৰ বাবেই *মেধি* গল্পৰ শিল্পমূল্য ৰক্ষা হৈছে।

---

*সহায়ক গ্ৰন্থ:*


1) অসমীয়া চুটিগল্পৰ অধ্যয়ন- প্ৰহ্লাদ কুমাৰ বৰুৱা
2) অসমীয়া চুটিগল্প : ঐতিহ্য আৰু বিৱৰ্তন— অপূৰ্ব শৰ্মা (সম্পা.)
3) আধুনিক গল্প সাহিত্য- ত্ৰৈলোক্যনাথ গোস্বামী

4) গল্পৰ প্ৰসংগ আৰু অসমীয়া গল্প সাহিত্য- পৰাগ কুমাৰ ভট্টাচাৰ্য

পাঠ্য সমল প্ৰস্তুতকৰ্তা : **ৰুকুনুদ্দিন আহমেদ**

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, অভয়াপুৰী মহাবিদ্যালয়